ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া চালাত আৰম্ভ কৰিছিল, তেতিয়া তেখেতে উভয় হাত কান্ধ পৰ্যন্ত উত্তোলন কৰিছিল।

ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া চালাত আৰম্ভ কৰিছিল, তেতিয়া তেখেতে উভয় হাত কান্ধ পৰ্যন্ত
উত্তোলন কৰিছিল। এইদৰে যেতিয়া ৰূকুৰ বাবে তাকবীৰ দিছিল আৰু ৰূকুৰ পৰা মূৰ তুলিছিল তেতিয়াও সেইদৰেই হাত উত্তোলন কৰিছিল। লগতে তেখেতে কৈছিলঃ "ছামিআল্লাহু লিমান হামিদাহ, ৰাব্বানা অলাকাল হাম্দ।" কিন্তু ছাজদাৰ সময়ত তেখেতে ৰাফউল য়াদাইন (হাত উত্তোলন) কৰা নাছিল।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে চালাতৰ তিনিটা স্থানত হাত উত্তোলন কৰিছিল, কান্ধ পৰ্যন্ত অথবা কান্ধৰ ওপৰলৈকে। ঘাৰৰ কাষত থকা হাড় তথা বাহুৰ সংযোগস্থলক কান্ধ বোলে। প্ৰথম স্থানঃ চালাতৰ আৰম্ভণিত তাকবীৰে তাহৰিমা কোৱাৰ সময়ত। দ্বিতীয় স্থানঃ ৰূকুত যাবলৈ তাকবীৰ কোৱাৰ সময়ত। তৃতীয় স্থানঃ ৰূকুৰ পৰা মূৰ উঠাওঁতে "ছামিআল্লাহু লিমান হামিদাহ ৰাব্বানা অলাকাল হাম্দ" কোৱাৰ সময়ত। কিন্তু ছাজদাহ দিওঁতে অথবা ছাজদাৰ পৰা মূৰ উঠাওঁতে তেখেতে হাত উত্তোলন কৰা নাছিল।

https://sunnah.global/hadeeth/as/show/3095